# টকা-পইচাৰ লেন-দেন

**by Indian Scientists Response to Covid**
https://indscicov.in/

IndSciCovid



**টকাৰ নোটবোৰ সকলো ধৰণৰ বীজাণুৰ দুৰ্দান্ত বাহক। নোট আৰু মুদ্ৰাই কৰ'না ভাইৰাছ কঢ়িয়াব পাৰেনে? এ, টি, এমৰ বুটাম আৰু পৰ্দা, নগদ হিচাপৰ বহী অথবা বাৰ্‌ক'ড স্কেনাৰ আদিত ভাইৰাছ থাকিব পাৰেনে? আপুনি এ, টি, এম বা অন্য ঠাইত ব্যৱহাৰ কৰা কাৰ্ডবোৰত একা? এই ধৰণৰ সকলো পৃষ্ঠতে ভাইৰাছ থাকিব পাৰে ! আৰ্থিক লেন-দেন কৰোঁতে হ'ব পৰা কৰ'না ভাইৰাছৰ সংক্ৰমণৰ সম্ভাৱনা হ্ৰাস কৰাৰ কেতবোৰ উপায় সম্পৰ্কে তলত আলোচনা কৰা হৈছে।**

**কৰ'না ভাইৰাছ নোট/মুদ্ৰা/কাৰ্ড আদিত থাকিব পাৰেনে?**

টকাৰ নোটবোৰক সমগ্ৰ বিশ্বতে বীজাণুৰ বাহকৰূপে জনা যায়। আটাইতকৈ বেছিকৈ উপলব্ধ বীজাণুবিধ হ'ল ই, ক'লাই (খাদ্যনলীত থকা এবিধ বেক্টেৰিয়া, যাৰ কেতবোৰ প্ৰকাৰে ডায়েৰিয়া বা হাগনি ৰোগ সৃষ্টি কৰিব পাৰে)। মুদ্ৰাৰ পৃষ্ঠত প্ৰতিজৈৱিক-প্ৰতিৰোধী, অধিক ক্ষতিকাৰক বীজাণুও পোৱা গৈছে। বেছিভাগ সময়ত, এই বীজাণুবোৰে জনস্বাস্থ্যৰ প্ৰতি বিশেষ ভাবুকিৰ সৃষ্টি নকৰে, কিন্তু ক'ভিড-১৯ বিশ্ব মহামাৰীৰ সময়ত আৰ্থিক লেন-দেন কৰাৰ সময়ত আপুনি অধিক সচেষ্ট হোৱা উচিত।

অলপতে কৰা এক অধ্যয়নত পোৱা গৈছে যে কৰ'না ভাইৰাছে টকাৰ পৃষ্ঠত ৩ দিনলৈকে বৰ্তি থাকিব পাৰে। ঠিক সেইদৰে, মুদ্ৰাৰ পৃষ্ঠতো কৰ'না ভাইৰাছ সিমান দিনলৈ তিষ্ঠি থকাৰ সম্ভাৱনা থাকে। ক্ৰেডিট আৰু ডেবিট কাৰ্ডবোৰ প্লাষ্টিকেৰে তৈয়াৰী, আৰু এইবোৰেও ভাইৰাছ কঢ়িয়াব পাৰে। নগদ-বিহীন লেন-দেন কৰিবলৈ ব্যৱহাৰ কৰা কম্পিউটাৰৰ কি-পেড় আৰু মোবাইল ফোনৰ পৰ্দাতো ভাইৰাছ থাকিব পাৰে।






**সাধাৰণ নিৰ্দেশনা**



মুখখন স্পৰ্শ নকৰাকৈ আপুনি মাস্ক পৰিধান কৰা উচিত আৰু যিকোনো কামত ঘৰৰ বাহিৰলৈ ওলালে আন ব্যক্তিৰ সৈতে ১-২ মিটাৰ দূৰত্ব বজাই ৰখা উচিত।

আপুনি যদি এজন দোকানী নাইবা ঘৰত বস্তু দি অহা লোক, তেন্তে আপোনাৰ হাত দুখন চাবোন আৰু পানীৰে (অথবা হাত পৰিশোধক বা ছেনিটাইজাৰ প্ৰয়োগ কৰি) কিছু সময়ৰ মূৰে-মূৰে ভালকৈ ধোৱক।



নগদ টকা চুবলৈ বা কাৰ্ড ব্যৱহাৰ কৰা যন্ত্ৰ চলাবলৈ আপুনি সঘনাই ব্যৱহাৰ নকৰা আঙুলিকেইটা ব্যৱহাৰ কৰিব পাৰে। তাৰ বাবে এ, টি, এমৰ কি-ব'ৰ্ডত বা নগদ লেন-দেনৰ হিচাব বহীত আপোনাৰ সাধাৰণতে ব্যৱহাৰ নকৰা হাতখন (যেনেঃ সোঁ-হাতেৰে কাম কৰা মানুহৰ ক্ষেত্ৰত বাওঁ হাতখন) আৰু সেইখন হাতৰ সাধাৰণতে ব্যৱহাৰ নকৰা আঙুলি এটা (যেনেঃ তৰ্জনী আঙুলিৰ সলনি অনামিকা আঙুলিটো) ব্যৱহাৰ কৰিব পাৰে।

অতি প্ৰয়োজনীয় নহ'লে বেংকলৈ নোযোৱাই ভাল। ই বেংকৰ কৰ্মচাৰী আৰু গ্ৰাহক উভয়ৰে সুৰক্ষাৰ বাবে দৰকাৰী। ফোনৰ সহায়ত আৰু অন্যান্য অন-লাইন বিকল্প ব্যৱহাৰ কৰি লেন-দেন কৰাৰ পাৰ্য্যমানে চেষ্টা কৰক।



সৰ্বোপৰি, টকা-পইচাৰ লেন-দেন কৰিবলৈ নগদ টকা, প্লাষ্টিক কাৰ্ড নাইবা ফোন ব্যৱহাৰ কৰাৰ পাছত এটা কথা মনত ৰাখিবঃ চাবোন আৰু পানীৰে ভালকৈ নোধোৱালৈকে আপোনাৰ মুখমণ্ডল (নাক, মুখ, চকু) হাতেৰে স্পৰ্শ নকৰিব।

**এ, টি, এমৰ পৰা টকা উলিওৱা অথবা নগদ জমা কৰা / বেংকৰ কাউন্টাৰ**



আন কোনো ব্যক্তি নথকা অৱস্থাতহে এ, টি, এমৰ কোঠালিত প্ৰৱেশ কৰিব। যদি পাৰে, আপোনাৰ কিলাকুটি / কান্ধ / ভৰিৰ সহায়ত দুৱাৰখন ঠেলা / টনাৰ চেষ্টা কৰক। কোঠালিত সোমোৱাৰ পাছত, প্ৰয়োজন নহ'লে কোনো পৃষ্ঠ স্পৰ্শ নকৰিব। সম্ভৱ হ'লে, এ, টি, এম ব্যৱহাৰ কৰাৰ আগেয়ে আৰু পাছত হাত পৰিশোধক (ছেনিটাইজাৰ) প্ৰয়োগ কৰক। এ, টি, এম চলাবলৈ সঘনাই ব্যৱহাৰ নকৰা আঙুলিকেইটা ব্যৱহাৰ কৰক। এ, টি, এমৰ কি-ব'ৰ্ডখন ব্যৱহাৰ কৰাৰ আগেয়ে আৰু পাছত আপোনাৰ লগত নিয়া টিচ্যু কাগজৰ সহায়ত হাত পৰিশোধক (বা ৭০% আইচ'প্ৰপাইল এলকহল) প্ৰয়োগ কৰি মচি ল'ব পাৰে। (যদি এনে কৰে, তেন্তে এটা লেফাফাৰ ভিতৰত ভৰাই টিচ্যু কাগজখন ঘৰলৈ লৈ আনি উপযুক্ত ধৰণে পেলাই দিয়াটো নিশ্চিত কৰিব)।




বেংকলৈ যাবলগীয়া হ'লে, মাস্ক পিন্ধা আৰু ১-২ মিটাৰ ব্যৱধান বজাই ৰখাৰ দৰে প্ৰামাণ্য পদ্ধতিবোৰ মানি চলাটো নিশ্চিত কৰক। যিকোনো লেন-দেনৰ আগেয়ে আৰু পাছত হাত পৰিশোধক (ছেনিটাইজাৰ) প্ৰয়োগ কৰাৰ অভ্যাস কৰক।

Image credits:
Ken Rinaldo, WHO, Unslpash, Sayantan, Indian News Express, Rabin,Shreya Dimri

**নগদ লেন-দেন**

এজন দোকানী অথবা ঘৰত বস্তু দি অহা ব্যক্তি হিচাবে আপুনি হয়তো আনতকৈ বেছি দৈনিক নগদ টকাৰ লেন-দেন কৰিব লগীয়া হয়। হাত দুখন মাজে-মাজে ধুই থাকিবলৈ আপুনি এটা বটলত চাবোন-পানী আৰু পানীৰ ব্যৱস্থা এটা লগত ৰাখিব পাৰে। এটা বটলত পানী লৈ তাত অলপ চাবোন মিহলাই আপুনি মিশ্ৰণ এটা প্ৰস্তুত কৰি ল'ব পাৰে। মিশ্ৰণটো প্ৰয়োগ কৰি হাত দুখন ভালকৈ ফেনাই লৈ ধুই পেলাওক আৰু এখন গামোচাৰে মচি লওক। নিয়মিতভাৱে হাত দুখন পৰিষ্কাৰ কৰিবলৈ আপুনি হাত পৰিশোধকো ব্যৱহাৰ কৰিব পাৰে। টকা-পইচা ৰাখিবলৈ আপুনি এটা বেলেগ পাত্ৰ বা সৰু মোনা লগত ৰাখিব পাৰে, যিটো দৈনিক অন্ততঃ এবাৰ চাবোন-পানী (বা আইচ'প্ৰপাইল এলকহলেৰে) ধুই পেলোৱা উচিত।





এজন গ্ৰাহক হিচাবে, যিকোনো সময়ত টকা-পইচাৰ লেন-দেন কৰোঁতে আৰু বিশেষকৈ আপোনাৰ মুখমণ্ডল স্পৰ্শ কৰাৰ আগেয়ে আপোনাৰ হাত দুখন চাবোন পানী (অথবা হাত পৰিশোধকেৰে) পৰিষ্কাৰ কৰি লোৱাটো নিশ্চিত কৰক। ঘৰত আপোনাৰ টকাৰ মোনা (ৱালেট) / টকাখিনি বেলেগ ঠাইত থোৱাৰ ব্যৱস্থা কৰক।

(যদি আপুনি টকা আৰু মুদ্ৰাবোৰ ধুব খোজে, তেন্তে সেইবোৰো সাৱধানে চাবোনেৰে ধুই ফেনৰ তলত নাইবা ৰ'দৰ তাপত ভালকৈ শুকুৱাই ল'ব পাৰে। এনে কৰিলেও নোটবোৰ সাধাৰণতে নষ্ট নহয়, কিন্তু বেছিকৈ নঘঁহিব অথবা জুই বা অ'ভেনত শুকুৱাবলৈ চেষ্টা নকৰিব!)




**নগদ লেন-দেনৰ টোকা বহী / টকা হিচাপ কৰা যন্ত্ৰ / কাৰ্ড যন্ত্ৰ**

এজন দোকানী অথবা ধন-ভঁৰালী হিচাবে, নিয়মিতভাৱে আপোনাৰ হাত দুখন চাবোন-পানী অথবা হাত পৰিশোধকেৰে পৰিষ্কাৰ কৰক। দৈনিক কামৰ সময়ত কিছু সময়ৰ মূৰে-মূৰে টকাৰ বাকচ / নগদ লেন-দেনৰ টোকা বহী /কাৰ্ড পৰীক্ষা কৰা যন্ত্ৰ / টকা হিচাপ কৰা যন্ত্ৰ আদি চাবোন-পানীৰে তিওৱা এখন কাপোৰ নাইবা ৭০% আইচ'প্ৰপাইল এলকহল প্ৰয়োগ কৰি পৰিষ্কাৰ কৰক। নগদ লেন-দেনৰ কাউণ্টাৰত কৰ্মীৰ সাল-সলনি হ'লে, পিছৰজনে দায়িত্ব চম্‌জি লোৱাৰ আগেয়ে প্ৰথমজনে যন্ত্ৰবোৰ পৰিষ্কাৰ কৰি পেলাব পাৰে। (এই ক্ষেত্ৰত যন্ত্ৰটোৰ নিৰ্মাণকৰ্তাৰ নিৰ্দেশাৱলী পঢ়ি লোৱাটো নিশ্চিত কৰক যাতে তেনে কৰাৰ ফলত যন্ত্ৰটোৰ কোনো ক্ষতি নহয়।)

কাৰ্ডৰ যন্ত্ৰটো (নাইবা তেনে আন কোনো যন্ত্ৰ / পৰ্দা) চলাবলৈ সঘনাই ব্যৱহাৰ নকৰা আঙুলিকেইটা ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰক।

যদি আপুনি বিচাৰে, তেন্তে চাবোন-পানীৰে তিয়াই লোৱা এখন কাপোৰেৰে নাইবা হাত পৰিশোধক প্ৰয়োগ কৰি কাৰ্ডবোৰ পৰিষ্কাৰ কৰি ল'ব পৰা যায়। কিন্তু বলেৰে নঘঁহিবঃ এটুকুৰা ৰবৰেৰে চুম্বকীয় আঁচযুক্ত অঞ্চলটো লাহেকৈ পৰিষ্কাৰ কৰিব পাৰে। ইয়াৰ ফলত কাৰ্ডখনৰ কোনো ক্ষতি নহয়।

**ফোনেৰে কৰা লেন-দেন**

যদি আপুনি অনলাইন লেন-দেন কৰিবলৈ আপোনাৰ মোবাইল ফোনটো ব্যৱহাৰ কৰে, তেন্তে প্ৰতিটো লেন-দেনৰ পাছত (নাইবা ঘৰ আহি পোৱাৰ পাছত) হাত পৰিশোধক / ৭০% আইচ'প্ৰপাইল এলকহল প্ৰয়োগ কৰি ফোনটো পৰিষ্কাৰ




**এই তথ্যখিনিৰ বিজ্ঞানভিত্তিক সত্যতা অক্ষুণ্ণ ৰাখিবলৈ যথাসাধ্য চেষ্টা কৰা হৈছে, যদি কোনোধৰণৰ আঁসোৱাহ আপোনাৰ দৃষ্টিগোচৰ হয়, তেন্তে অনুগ্ৰহ কৰি এই ঠিকনাত যোগাযোগ কৰক:indscicov@gmail.com**